**4 SEM TDC ASM M 2**

**2 0 1 7**

( May )

ASSAMESE

( Major )

Course : 402

**( অসমৰ ভাষা আৰু লিপি )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমত প্ৰচলিত চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ প্ৰধান শাখা-কেইটাৰ নাম উল্লেখ কৰি যি কোনো এটা শাখাৰ ভাষাসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু লগতে শাখাটোৰ বিষয়ে এটি পৰিচয়সূচক টোকা প্ৰস্তুত কৰাঁ। ২+৪+১০=১৬

২। (ক) উপভাষা কাক বোলে? কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰাঁ। ১৫

৩। যি কোনো তিনিটাৰ বিষয়ে লিখাঁ : ৫×৩=১৫

(ক) বড়ো ভাষাৰ ধ্বনিতত্ত্ব

(খ) কাৰ্বি ভাষাৰ বচন আৰু লিঙ্গ নিৰ্ণয়

(গ) অসমৰ টাইমূলীয় ভাষাৰ সুৰ

(ঘ) মিচিং ভাষাৰ ৰূপগত বৈশিষ্ট্য

৪। তলৰ যি কোনো দুটাৰ বিষয়ে আলোচনা কৰাঁ : ৭+৭=১৪

(ক) অসমীয়া ভাষালৈ আৰ্য-ভিন্ন ভাষাৰ উপাদান সৰবৰাহ হোৱাৰ সম্ভাব্য কাৰণ

(খ) অসমীয়া ভাষাৰ ধ্বনিগত দিশত তিব্বত-বৰ্মীয় ভাষাৰ অৱদান

(গ) কাৰ্বি ভাষাৰ শব্দগত দিশত অসমীয়া ভাষাৰ উপাদান

৫। (ক) ব্ৰাহ্মীলিপিৰ পৰা কি কি স্তৰৰ মাজেদি আহি অসমীয়া লিপিৰ বিকাশ ঘটিল এই সম্পৰ্কে সকলো দিশ খৰচি মাৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) আলোচনা কৰাঁ : ৭+৭=১৪

(১) অসমৰ জনজাতীয় ভাযাত ৰোমান লিপি আৰু দেৱনাগৰী লিপিৰ প্ৰয়োগ

(২) পুৰণি অসমীয়া লিপি (পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ)

৬। উত্তৰ লিখাঁ : ১×৬=৬

(ক) গড়গঞা লিপি অসমীয়া লিপিৰ কোন যুগৰ অন্তৰ্গত ?

(খ) অসমীয়া ভাষাত স্বৰৰ দীৰ্ঘ ৰূপ আছেনে ?

(গ) অসমীয়া ভাষাৰ বচন ব্যাকৰণগত হয় নে নহয় ?

(ঘ) নাৰায়ণ দাসে লিখা লিপিবিষয়ক গ্ৰন্থখনৰ নাম লিখাঁ।

(ঙ) ODBL-গ্ৰন্থখনৰ সম্পূৰ্ণ নামটো লিখাঁ।

(চ) বগা, বটল, চেলাউৰি আদি শব্দৰ মূল কোন ভাষাৰ ?

★★★